# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-FEB-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। লোকসভাত আজি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন।

২। বৰ্খাস্ত হোৱা ডেৰ শতাধিক চতুৰ্থবৰ্গৰ কৰ্মচাৰীক পুনৰ চাকৰিত মকৰল কৰিবলৈ ৰাজ্যৰ স্বাস্থ্য বিভাগক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মহাবীৰ চিলাৰায়ৰ ৫১৬ সংখ্যক জয়ন্তী পালনৰ কাৰ্যসূচী। মঙলদৈত কেন্দ্ৰীয় অনুষ্ঠান।

৪। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নতুন ভৱনৰ আজি আধাৰশিলা স্থাপনৰ কাৰ্যসূচী।

*আৰু*

৫। নিউজিলেণ্ডৰ বিৰুদ্ধে ৪-১ ফলাফলেৰে ভাৰতৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলা দখল।

০০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব। বাজেট উত্থাপন কৰাৰ পাছত ইয়াৰ প্ৰতিলিপি ৰাজ্যসভাত দাখিল কৰা হ'ব। শ্ৰীমতী সীতাৰমনে এইবাৰকে ধৰি একেৰাহে নৱম বাৰৰ বাবে বাজেট দাখিল কৰিব। সংসদত বাজেট ভাষণ সম্পূৰ্ণ হোৱাৰ পাছত বাজেট নথি মোবাইল এপ্ আৰু ৱেবছাইটত উপলভ্য হ'ব।

বাজেট দাখিলৰ পাছত শ্ৰীমতী সীতাৰমণে দেশৰ বিভিন্ন প্ৰান্তৰ কমেও ৩০ গৰাকী শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰিব।

উল্লেখযোগ্য যে বাজেট প্ৰস্তুতৰ পূৰ্বে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে অৰ্থনীতিবিদ, শ্ৰমিক সংঘ, শিক্ষা আৰু স্বাস্থ্য , বাণিজ্য আৰু সেৱা, উদ্যোগ, বিত্ত, মূলধনী বজাৰ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ বিশেষজ্ঞ আৰু প্ৰতিনিধিকে ধৰি বিভিন্ন পক্ষৰ  সৈতে প্ৰাক বাজেট পৰামৰ্শ বৈঠকত মিলিত হৈছিল আৰু তেওঁলোকৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰিছিল। কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানেও কৃষি আৰু গ্ৰামোন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সম্পৰ্কে বিসদ প্ৰাক বাজেট আলোচনাত মিলিত হৈছিল আৰু বিত্ত মন্ত্ৰীৰ ওচৰত এই আলোচনাৰ জৰিয়তে লাভ কৰা দিহা-পৰামৰ্শৰ সংকলিত প্ৰতিবেদন দাখিল কৰিছিল।

আজি সংসদত দাখিল কৰিবলগীয়া বাজেট সন্দৰ্ভত আকাশবাণীৰ বাতৰি বিভাগে এটা দিনজোৰা আলোচনাৰ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত দেশৰ আগশাৰীৰ অৰ্থনীতিবিদ আৰু বজাৰ বিশেষজ্ঞসকলৰ লগতে শীৰ্ষ চৰকাৰী বিষয়াসকলে বিশ্লেষণ আগবঢ়াব। এই অনুষ্ঠান আকাশবাণীৰ এফ এম গ'ল্ড আৰু অন্যান্য ফ্ৰিকুৱেন্সিৰ মাধ্যমেৰে পুৱা ১০ বাজি ১০ মিনিটৰ পৰা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো নিউজ অন এয়াৰ ম'বাইল এপ, আকাশবাণীৰ ইউটিউব চেনেল আৰু অ টি টি প্লেটফৰ্ম ৰেভছত প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত আমাৰ দিনৰ ১১ বজাৰ মুখ্যবাতৰি আৰু দুপৰীয়া ১২ বাজি ৫ মিনিটৰ বাতৰি প্ৰচাৰিত নহয়।  দিনৰ এক বাজি ৪০ মিনিটত প্ৰচাৰ হ'বলগীয়া বাতৰি এক বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে বৰ্খাস্ত হোৱা ডেৰ শতাধিক চতুৰ্থ বৰ্গৰ কৰ্মচাৰীক পুনৰ চাকৰিত মকৰল কৰিবলৈ স্বাস্থ্য বিভাগক নিৰ্দেশ দিছে। অৱশ্যে ন্যায়ালয়ে বৰ্খাস্ত হৈ থকাৰ সময়ছোৱাৰ বাবে কোনোধৰণৰ দৰমহা লাভ নকৰিব বুলি স্পষ্ট কৰি দিছে। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীক লৈ গঠিত এখন খণ্ড বিচাৰপীঠে কালি দীঘলীয়া শুনানিৰ অন্তত এইদৰে ৰায় দিয়ে। খণ্ড বিচাৰপীঠখনে লগতে ৮ সপ্তাহৰ ভিতৰত আদালতৰ ৰায় কাৰ্যকৰী কৰিবলৈ চৰকাৰী পক্ষক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে ২০০৪-০৫ চনত ডিব্ৰুগড় আৰু গোৱালপাৰা জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালকালয়ৰ অধীনত ভালেসংখ্যক প্ৰাৰ্থীক চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাপে নিযুক্তি দিয়া হৈছিল। একেদৰে ২০০৯-১১ চনত অস্থায়ীভিত্তিত কৰ্মৰত একাংশ কৰ্মচাৰীৰ চাকৰি নিয়মীয়া কৰা হৈছিল। ইয়াৰ পাছতে ২০১৭ চনত স্বাস্থ্য বিভাগৰ নিৰীক্ষণ কৰ্মচাৰীৰ নিযুক্তিত ব্যাপক অনিয়ম হোৱাৰ অভিযোগ উত্থাপিত হৈছিল আৰু এনে অভিযোগৰ পৰিপ্ৰেক্ষিতত নিৰীক্ষণ কৰ্মচাৰীকে ধৰি স্বাস্থ্য সেৱা সঞ্চাকালয়ৰ অধীনৰ সকলো জিলাৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ নিযুক্তি বদলি আৰু সেৱা পুস্তক পৰীক্ষা কৰাৰ বাবে পৰীক্ষা সমিতি গঠন কৰা হৈছিল। এনে পৰীক্ষা-নিৰীক্ষাৰ অন্তত ২০১৯ চনত চতুৰ্থ বৰ্গৰ ডেৰ শতাধিক কৰ্মচাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল।

০০০০০০

মহাবীৰ চিলাৰায়ৰ ৫১৬ সংখ্যক জয়ন্তী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু কোচ ৰাজবংশী উন্নয়ন পৰিষদ তথা কোচ ৰাজবংশী সন্মিলনৰ সহযোগত আজি মঙলদৈত কেন্দ্ৰীয়ভাৱে চিলাৰায় দিৱসৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। গুৱাহাটীৰ আমিনগাঁৱতো বিভিন্ন কাৰ্যসূচীৰে চিলাৰায় জয়ন্তী পালন কৰা হ'ব। এই বিষয়ে কামৰূপৰ সংবাদদাতা কৌশিক দাসে আমাক এইদৰে জনাইছে–

**ভইচকাষ্ট (কৌশিক দাস)**

চিৰাং জিলাৰ বিজনী মহকুমা আক্ৰাছুৰ কাৰ্যালয়ৰ ৰজা বিজিত নাৰায়ণ দেৱ ক্ষেত্ৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ১১৮ সংখ্যক মহাৰাজ নৰনাৰায়ণ আৰু বীৰ চিলাৰায়ৰ জয়ন্তীৰ আয়োজন কৰা হৈছে। কমতাপুৰ স্বায়িত্তশাসিত পৰিষদৰ উদ্যোগতো পৰিষদৰ সচিবালয়ৰ চিলাৰায় দিৱস পালনৰ ব্যৱস্থা কৰা হৈছে। বঙাইগাঁও, কোকৰাঝাৰ আৰু চিৰাং জিলাৰ বিভিন্ন স্থানত কোচ ৰাজবংশীৰ সংগঠন সংস্থাই বিভিন্ন কাৰ্যসূচীৰে চিলাৰায় দিৱসৰ অনুষ্ঠানৰ আয়োজন কৰিছে। ৰাজ্যৰ আন ঠাইৰ লগতে ধুবুৰী আৰু গোৱালপাৰাতো চিলাৰায় দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ইপিনে বিটিচি চৰকাৰৰ সহযোগত আৰু সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা তথা কোচ ৰাজবংশী জনগোষ্ঠীৰ বিভিন্ন দল-সংগঠনৰ যৌথ উদ্যোগত কোকৰাঝাৰত আজি মহাবীৰ চিলাৰায় দিৱস পালন কৰা হ'ব। এই অনুষ্ঠানতে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে মহাবীৰ চিলাৰায় প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ বাবে ১৪ কোটি টকা ধাৰ্য কৰা হৈছে। চিলাৰায় দিৱসৰ লগত সংগতি ৰাখি পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, মুকলি সভা, কোচ ৰাজবংশীয় নৃত্য প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চিলাৰায় দিৱস উপলক্ষে মহাবীৰগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। ড০ শৰ্মাই এটা বাৰ্তাযোগে কয়, যে বীৰ চিলাৰায়ে দুৰ্জেয় সাহস আৰু প্ৰবল পৰাক্ৰমেৰে অসমৰ ইতিহাস সমৃদ্ধ কৰি থৈ গৈছে। মহান বীৰগৰাকীৰ দেশপ্ৰেমৰ আদৰ্শই নৱপ্ৰজন্মক উদ্বুদ্ধ কৰি ৰাখিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ উন্নয়নৰ অংশ হিচাপে আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰা হ'ব। বিয়লি চাৰে ৫ বজাত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা

মুখ্য অতিথি হিচাপে আৰু মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব। ৩ হাজাৰ ৬৭৯ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মাণ হ'বলগীয়া এই নতুন ভৱনত দুহেজাৰ ২৫০ খন বিছনাযুক্ত সাধাৰণ ৱাৰ্ড, ৪০০ খন বিছনাযুক্ত আছুতীয়া ৱাৰ্ড, ২৮ খন বিছনাযুক্ত জটিল আৰু লঘু অস্ত্ৰোপচাৰ কক্ষ আৰু এহেজাৰ ৬৭০ খন বাহন ৰখাৰ ঠাইৰ সুবিধা থাকিব। লগতে ২৫০ খন বিছনাযুক্ত আই চি ইউ ৱাৰ্ড, ১০০ খন বিছনাযুক্ত জৰুৰীকালীন ৱাৰ্ড আৰু ৰেডিঅ'লজী সেৱাৰ ব্যৱস্থা থাকিব।

oooooo

ৰাজ্যত পদপথত আশ্ৰিত শিশুৰ সংখ্যা পূৰ্বৰ তুলনাত হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। ২০০১ বৰ্ষৰ তুলনাত এই হাৰ ৮০ শতাংশলৈ হ্ৰাস পাইছে। পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত' শীৰ্ষক আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত অংশ লৈ সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্তই কালি এই কথা প্ৰকাশ কৰে। তেওঁ পদপথৰ শিশুৰ সৰ্বতোপ্ৰকাৰৰ সহায়ৰ বাবে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ তথা সংস্থাই-স্বেচ্ছাসেৱী সংস্থাসমূহৰ সৈতে সমন্বয়ৰে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

**(বাইট ঃ দত্ত)**

শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা Care You 365 ৰ মুৰব্বী ভৃগু বৰঠাকুৰে এই অনুষ্ঠানত পিতৃ-মাতৃৰ সৈতে বিচ্ছিন্ন শিশুৰ পুনৰ সংযোগ স্থাপনৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে চৰকাৰ প্ৰশাসনৰ উপৰি জনসাধাৰণৰো এই শিশুসিকলৰ প্ৰতি দায়িত্ব আছে আৰু এই ক্ষেত্ৰত সংবেদনশীলতাৰে কাম কৰা প্ৰয়োজন বুলি উল্লেখ কৰে।

**(বাইট)**

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰা জিলাৰ আগিয়াত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত হিতাধিকাৰীসকলক চেক বিতৰণ কৰিব। এই অনুষ্ঠানত জনজাতিৰ বাবে সংৰক্ষিত গোৱালপাৰা পশ্চিম সমষ্টিৰ ২৪ হাজাৰ ৪৭৪ গৰাকী মহিলাক অসম ৰাজ্যিক গ্ৰামীণ আৰু নগৰীয়া জীৱিকা অভিযানৰ জৰিয়তে ২৪ কোটি ৫৩ লাখ ৫০ হাজাৰ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। অনুষ্ঠানত গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহাল, সাংসদ বিজুলী কলিতা মেধি, ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

oooooo

বটদ্ৰৱা আৱিৰ্ভাৱ ক্ষেত্ৰ আজিৰ পৰা দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হ'ব। কালি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই জাননীযোগে এইকথা সদৰি কৰে। বটদ্ৰৱা প্ৰকল্প আৰু আৱিৰ্ভাৱ ক্ষেত্ৰ দৰ্শনাৰ্থীৰ বাবে সম্পূৰ্ণ বিনামুলীয়া হ'ব যদিও দৰ্শনাৰ্থীসকলে কেতবোৰ নিয়ম মানি চলিব লাগিব বুলি জাননীখনত কোৱা হৈছে। দৰ্শনৰ সময় পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ধাৰ্য কৰা হৈছে। আবিৰ্ভাৱ ক্ষেত্ৰত সকলো ধৰণৰ বাহনৰ প্ৰৱেশ সম্পূৰ্ণৰূপত নিষিদ্ধ কৰা হৈছে। ধুমপান, যিকোনো ধৰণৰ মাদক দ্ৰব্য ব্যৱহাৰ, তামোল-পান, পান মছলাৰ দৰে সামগ্ৰীসমূহৰ ক্ষেত্ৰতো জাননীৰ জৰিয়তে বাধা আৰোপ কৰা হৈছে। পৰম্পৰাগত সাজ পাৰ পৰিধান কৰা সকলক প্ৰৱেশত অগ্ৰাধিকাৰ দিয়া হ'ব বুলিও জাননীখনত উল্লেখ কৰা হৈছে। বটদ্ৰৱা ধাম দৰ্শন কৰোতে দৰ্শনাৰ্থীসকলক এই সকলো নিয়ম শৃংখলা বৰ্তাই ৰাখিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে।

oooooo

দিছপুৰৰ ড০ আৰ পি ৰোডত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্বাধীনতা সংগ্ৰামী ছবিলাল উপাধ্যায়ৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰথমগৰাকী সভাপতি ছবিলাল উপাধ্যায়ে স্বাধীনতা আন্দোলনত বিশেষ ভূমিকা পালন কৰিছিল বুলি মন্তব্য কৰে।

অসমত অসহযোগ আন্দোলনক সক্রিয়ভাৱে নেতৃত্ব দিয়াৰ বাবে তেওঁ প্ৰায় ছমাহ কাৰাগাৰত থাকিবলগীয়া হৈছিল বুলিও তেওঁ উল্লেখ কৰে। এইগৰাকী মহান সেনানীৰ ত্যাগক মূল্যায়ণ কৰি শ্ৰদ্ধা জনোৱাৰ বাবে এই প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**(বাইট ঃ ড০ শৰ্মা)**

অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, দিছপুৰৰ বিধায়ক অতুল বৰা, সাংসদ বিজুলী কলিতা মেধি আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

মিচিং স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত আৰু জোনাই ধেমাজিবাসীৰ সহযোগত আজিৰে পৰা চাৰি দিনীয়া কাৰ্যসূচীৰে বেৰা ঘাটৰ চিয়াংলালী নৈৰ পাৰত তৃতীয় পবা বৰ্ষাৰণ্য প্ৰাকৃতিক মহোৎসৱ অনুষ্ঠিত হ'ব। বনাঞ্চলখনৰ সংৰক্ষণ, ভৱিষ্যত প্ৰজন্মক প্ৰকৃতিৰ সৈতে একাত্ম কৰি তোলা আৰু পৰ্যটনৰ বিকাশৰ বাবে এই মহোৎসৱ পালন কৰা হৈছে। এইবাৰ তিনি তৰপীয়া কাৰ্যসূচীৰে পালন কৰা মহোৎসৱৰ অংশ হিচাপে সজাগতা সভা, প্ৰকৃতি বিষয়ক আলোকচিত্ৰ প্ৰদৰ্শন প্ৰতিযোগিতা, গ্ৰন্থমেলা, বনাঞ্চলত ট্ৰেকিং প্ৰশিক্ষণ, চৰাই চিনাক্তকৰণ আৰু সংৰক্ষণ বিষয়ক কাৰ্যকলাপ, নৌকা বিহাৰকে ধৰি বিভিন্ন আকৰ্ষণীয় অনুষ্ঠান ৰখা হৈছে। তদুপৰি কবি সন্মিলন, ছাত্ৰ সন্মিলন, গ্ৰাম্য ক্ৰীড়া, থলুৱা খাদ্য আৰু বস্ত্ৰ মেলাও মুকলি কৰা হ'ব। উল্লেখযোগ্য যে, ১৯২৪ চনতে সংৰক্ষিত বনাঞ্চল ৰূপে স্বীকৃতি লাভ কৰা পবা বনাঞ্চল জৈব বৈচিত্ৰ্যৰ অনুপম স্থলী। বিভিন্ন প্ৰজাতিৰ চিৰ সেউজীয়া গছ-গছনি, লতা, গুল্ম জাতীয় উদ্ভিদ আৰু ঘাহনিৰে আবৃত্ত বনাঞ্চলখনত চৰাই-চিৰিকতি, কীট-পতংগ আৰু কেইবাটাও প্ৰজাতিৰ বন্য প্ৰাণী বিচৰণভূমি। পৰ্যটনৰ ক্ষেত্ৰত বনাঞ্চলখনৰ অপাৰ সম্ভাৱনা আছে।

০০০০০০

ভাৰতে যোৱা নিশা কেৰালাৰ তিৰুৱনন্তপুৰমত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত নিউজিলেণ্ডক ৪৬ ৰানত পৰাস্ত কৰি ৪-১ ফলাফলেৰে শৃংখলা হস্তগত কৰে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ২৭১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ঈষান কিষানে ১০৩ ৰান কৰে। সূৰ্য কুমাৰ যাদৱে ৬৩ ৰান বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত নিউজিলেণ্ডে ১৯ অভাৰ আৰু ৪ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২২৫ ৰানহে সংগ্ৰহ কৰে। ঈষান কিষানক প্লেয়াৰ অব দ্যা মেচ আৰু সূৰ্য কুমাৰ যাদৱক প্লেয়াৰ অব দ্যা ছিৰিজ ঘোষণা কৰা হয়।

০০০০০০

বেংগালুৰুত অসমৰ যুৱকৰ ৰহস্যজনক মৃত্যু, ৰাজ্যজুৰি বীৰ চিলাৰায় দিৱস উদযাপন, গুৱাহাটীত মুখ্যমন্ত্ৰীৰ চ্যুকাফাৰ বিশাল প্ৰতিমূৰ্তি উন্মোচন, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ কেন্দ্ৰীয় বাজেট দাখিল আদি বাতৰিয়ে আটাইবোৰ কাকতে প্ৰথম পৃষ্ঠাৰ বাতৰিৰ শিৰোনাম দখল কৰিছে।

দৈনিক অসম কাকতে অসমৰ সাতখন জিলাত ৬৪ লাখ অনুপ্ৰৱেশকাৰী আছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ঘোষণাৰে বাতৰি প্ৰকাশ কৰিছে।

পাকিস্তানৰ বেলুচিস্তান প্ৰদেশৰ বিভিন্ন এলেকাত চলোৱা অভিযানত ১০ জন নিৰাপত্তাৰক্ষীৰ লোককে ধৰি ৭০ জন সন্ত্ৰাসবাদী মৃত্যু হোৱাৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটীত মুখ্যমন্ত্ৰীৰ চ্যুকাফাৰ বিশাল প্ৰতিমূৰ্তি উন্মোচন কৰি চাওলুং চ্যুকাফাক অনুপ্ৰেৰণাৰ প্ৰতীক আৰু জাতিৰ আদৰ্শ বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই বাতৰি দা ছেণ্টিনেল কাকতে আলোকচিত্ৰসহ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতত তিনিচুকীয়াত আটাছুৰ কেন্দ্ৰীয় মে-ডাম-মে-ফী অনুষ্ঠান অনুষ্ঠিত হোৱাৰ এটা বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

মহাৰাষ্ট্ৰত সুনেত্ৰা পাৱাৰে কালি ৰাজ্যৰ প্ৰথম মহিলা উপ-মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

অতি ভূমিকম্প প্ৰৱণ অঞ্চলৰূপে বিবেচিত অৰুণাচল প্ৰদেশত আৰু তিনিটা নতুন নদীবান্ধ নিৰ্মাণৰ কাম আৰম্ভ হৈছে। এই বাতৰি দৈনিক জনমভূমি কাকতৰ।

মহিলাৰ ঋতুস্ৰাৱ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু আৰ মহাদেৱনৰ ঐতিহাসিক ৰায়ৰ বাতৰিৰে অসমীয়া খবৰ কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

বেংগালুৰুত অসমৰ যুৱকৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তদন্ত নিৰ্দেশ দিয়া বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাৰ বাতৰিৰূপে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নাওবৈচা বিধানসভা সমষ্টিৰ ৩১ হাজাৰ ১২৪ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে খুমটাই বিধানসভা সমষ্টিতো ৩০ হাজাৰ ৯৫৭ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। নৰাগাঁও খেলপথাৰত আয়োজিত এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা নৰাগাঁও মিনি ষ্টেডিয়াম মুকলি কৰে। ১৪ বিঘা ভূমিত নিৰ্মাণ কৰা এই ষ্টেডিয়ামখনত ছুইমিং পুল, ইনড'ৰ ষ্টেডিয়াম, বেডমিণ্টন ক'ৰ্ট, শ্বুটিং, টেবুল টেনিছ কক্ষ আৰু ব্যায়ামগাৰৰ সুবিধা আছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**